**2025**

# ASSAMESE

## ( Honours Core )

Paper : ASM–HC–6016

**( অসমীয়া চুটিগল্প আৰু উপন্যাস )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×১০=১০

(ক) লক্ষ্মীনাথ বেজবৰুৱাৰ প্ৰথম গল্পপুথিখন কোন চনত প্ৰকাশ হৈছিল ?

(খ) কোনখন গল্পসংকলনৰ জৰিয়তে সূৰ্যকুমাৰ ভূঞাই প্ৰাক্-আৱাহন কালত গল্পকাৰ হিচাপে আত্মপ্ৰকাশ কৰিছিল ?

(গ) ‘ভাগ বটোৰাৰা’ গল্পটো ৰচনা কৰা গল্পকাৰগৰাকীৰ নাম লিখা।

(ঘ) পদ্মাৱতী দেৱী ফুকননীয়ে ৰচনা কৰা উপন্যাসধৰ্মী গ্ৰন্থখনৰ নাম কি ?

(ঙ) ৰাম্না বৰুৱা ছদ্মনামেৰে কোনগৰাকী ঔপন্যাসিকে 'সেউজী পাতৰ কাহিনী' নামৰ উপন্যাসখন ৰচনা কৰিছিল ?

(চ) লক্ষ্মীধৰ শৰ্মা কোন যুগৰ গল্পকাৰ ?

(ছ) যোগেশ দাসে ৰচনা কৰা এখন গল্পপুথিৰ নাম লিখা।

(জ) পদ্মনাথ গোহাঞি বৰুৱাৰ 'লাহৰী' উপন্যাসখন গ্ৰন্থাকাৰে কোন চনত প্ৰকাশ হৈছিল ?

(ঝ) মামণি ৰয়ছম গোস্বামী অন্য কি নামেৰে পৰিচিত ?

(ঞ) 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' উপন্যাসখনত বৰ্ণিত বৰিহাটৰ বিখ্যাত ব্যৱসায়ীজনৰ নাম কি ?

২। চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) শৰৎচন্দ্ৰ গোস্বামী ৰচিত দুখন গল্পপুথিৰ নাম লিখা।

(খ) আৱাহন যুগৰ দুগৰাকী গল্পকাৰৰ নাম উল্লেখ কৰা।

(গ) এ. কে. গাৰ্নিয়ে অসমীয়ালৈ অনুবাদ কৰা উপন্যাসিকাখনৰ নাম কি আৰু মূল বাংলা উপন্যাসখনৰ ৰচক কোন ?

(ঘ) লক্ষ্মীধৰ শৰ্মা ৰচিত একমাত্ৰ গল্পপুথিখনৰ নাম কি? গ্ৰন্থখন কোন চনত প্ৰকাশ হৈছিল ?

(ঙ) 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' উপন্যাসখন প্ৰথমতে কোনখন আলোচনীত আৰু কোন চনত প্ৰকাশ হৈছিল ?

৩। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৪=২০

(ক) লক্ষ্মীনাথ বেজবৰুৱাৰ সমাজ-সংস্কাৰধৰ্মী গল্পৰ বিষয়ে চমুকৈ লিখা।

(খ) অসমীয়া জীৱনীমূলক উপন্যাসৰ বিষয়ে এক চমু আভাস দিয়া।

(গ) লক্ষ্মীধৰ শৰ্মাৰ 'নীনা' গল্পত প্ৰতিফলিত প্ৰাকৃতিক চিত্ৰ বৰ্ণনা কৰা।

(ঘ) 'ৰাজনীতি নুবুজা মানুহ' গল্পটোত ফুটি উঠা মানৱতাবোধ সম্পৰ্কে আলোচনা কৰা।

(ঙ) "ইন্দ্ৰনাথৰ চকুৰ সম্মুখত পৃথিৱী ঘূৰিবলৈ ধৰিলে। এবাৰ তেওঁ উঠিব খুজিছিল কিন্তু কিহেৰে মাৰিলে সিহঁতে এই দুটা কোব, কিহেৰে মাৰিলে? এইবাৰ তেওঁ মাটিত মুখ গুজি ঢলি পৰিল।"

ইন্দ্ৰনাথ কোন? কোনে তেওঁক, কিয় কোব মাৰিছে, বুজাই লিখা।

(চ) 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' উপন্যাসত দুৰ্গা চৰিত্ৰটোৰ ভূমিকা আৰু গুৰুত্ব সম্পৰ্কে চমুকৈ লিখা।

৪। (ক) 'ৰামধেনু যুগ'ৰ সময়সীমাৰ ধাৰণা দি এই সময়ছোৱাৰ অসমীয়া চুটিগল্পৰ পৰিচয় আৰু বৈশিষ্ট্য সম্পৰ্কে এক বিশ্লেষণাত্মক নিবন্ধ যুগুত কৰা। ১০

*অথবা*

(খ) অসমীয়া চুটিগল্পৰ সৃষ্টি আৰু সম্প্ৰসাৰণত আলোচনীৰ ভূমিকা সম্পৰ্কে আলোচনা কৰা।

৫। (ক) পদ্মনাথ গোহাঞি বৰুৱাৰ হাতত অসমীয়া উপন্যাসে জন্মলাভ কৰাৰ পূৰ্বতে কোনকেইগৰাকী সাহিত্যিকে অসমীয়া উপন্যাস সৃষ্টিৰ পৰিৱেশ ৰচনা কৰিছিল, বিতংকৈ লিখা। ১০

*অথবা*

(খ) অসমীয়া উপন্যাসৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত ৰজনীকান্ত বৰদলৈৰ অৱদান খৰচিমাৰি আলোচনা কৰা।

৬। (ক) 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' উপন্যাসখনৰ নামকৰণৰ তাৎপৰ্য বিশ্লেষণ কৰি উপন্যাসখনত প্ৰতিফলিত সমাজ-জীৱনৰ ছবিৰ আভাস দাঙি ধৰা। ১০

*অথবা*

(খ) ঔপন্যাসিক হিচাপে মামণি ৰয়ছম গোস্বামীৰ প্ৰতিভাৰ বিশ্লেষণ কৰি 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' উপন্যাসখনত ঔপন্যাসিকৰ জীৱনদৰ্শন কেনেদৰে প্ৰতিফলিত হৈছে, বৰ্ণনা কৰা।

৭। (ক) যোগেশ দাসৰ 'বৰদেউতা' গল্পটোত বৰদেউতা চৰিত্ৰটোৰে সমাজৰ কেনে চৰিত্ৰৰ মানুহক প্ৰতিনিধিত্ব কৰিছে? এই ক্ষেত্ৰত গল্পকাৰ সফল হৈছেনে? সমালোচনাত্মক দৃষ্টিভংগীৰে আলোচনা কৰা। ১০

*অথবা*

(খ) লক্ষ্মীধৰ শৰ্মাৰ 'নীনা' গল্পটোত জনজাতীয় সৰলতা আৰু সমাজৰ তথাকথিত উচ্চ তথা শিক্ষিত শ্ৰেণীটোৰ প্ৰতাৰণা কেনেদৰে প্ৰতিফলিত হৈছে, ফঁহিয়াই দেখুওৱা।

★★★